**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 19-08-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

ooooo

১। ৰাজ্য চৰকাৰে অতিৰিক্ত জিলা আয়ুক্ত আৰু নিম্ন পৰ্য্যায়ৰ প্ৰশাসনিক বিষয়াসকলক অধিক ক্ষমতা প্ৰদানৰ সম্ভাৱনাৰ অন্বেষণ কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। অহা ৬ জানুৱাৰীৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ৰাজ্যৰ বিদ্যালয়সমূহত তিনিটা পৰ্যায়ত গুণোৎসৱ।

৩। লোকপিয়লৰ দায়িত্বত নিয়োজিত শিক্ষক-শিক্ষয়িত্ৰীৰ পাৰস্পৰিক বদলিৰ নিৰ্দেশনাত সংশোধন। ১৪ দিনৰ ভিতৰত নতুন স্থানত যোগদান কৰাৰ চৰ্ত প্ৰত্যাহাৰ।

৪। বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বাবে কোকৰাঝাৰত জাপানী ভাষা শিকণ কেন্দ্ৰ স্থাপনৰ ঘোষণা

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত খন্তেক পাছতে ইষ্ট বেংগল এফ চি আৰু স্পোৰ্টিং ক্লাব দিল্লী মুখামুখি।

ooooo

ৰাজ্য চৰকাৰে অতিৰিক্ত জিলা আয়ুক্ত আৰু নিম্ন পৰ্য্যায়ৰ প্ৰশাসনিক বিষয়াসকলক অধিক ক্ষমতা প্ৰদানৰ সম্ভাৱনাৰ অন্বেষণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ৰূপনগৰত আজি কামৰূপ মহানগৰ জিলা সংহত আয়ুক্তৰ কাৰ্যালয় মুকলি কৰি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড০ শৰ্মাই কয়, যে জনসাধাৰণৰ হিতাৰ্থে প্ৰশাসনিক ক্ষমতাৰ অধিক বিকেন্দ্ৰীকৰণ জৰুৰী হৈ পৰিছে। তেওঁ কয়, যে অতিৰিক্ত জিলা আয়ুক্তসকলক সৰ্বাধিক ক্ষমতা প্ৰদানৰ সম্ভাৱনাৰ বিষয়ে চালি জাৰি চোৱাৰ বাবে অহা মাহত জিলা আয়ুক্তসকলৰ এখন বৈঠক আহ্বান কৰা হ'ব। চৰকাৰে সদ্ভাৱনা প্ৰকল্পৰ অধীনত চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু সমজিলা আয়ুক্তসকলৈ হস্তান্তৰ কৰিব পৰা কাম-কাজ চিনাক্ত কৰিব বুলি ড০ শৰ্মাই মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে জিলা আয়ুক্তসকলে সপ্তাহত দুবাৰকৈ এই কাৰ্য্যালয় ভ্ৰমণ কৰি ইয়াৰ কাম-কাজ নিৰীক্ষণ কৰা উচিত। তেওঁ লগতে গুৱাহাটীৰ বিভিন্ন স্থানত ভূমি আৰু ফ্লেট পঞ্জীয়নৰ পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰে। ক্ৰেতা আৰু বিক্ৰেতাসকলৰ বাবে পঞ্জীয়ন ব্যৱস্থা সহজ কৰি তোলাৰ বাবে লোৱা এই পদক্ষেপৰ বিষয়ে সদৰী কৰি ড০ শৰ্মাই কয়, যে গুৱাহাটীৰ ৬-৭ টা গুৰুত্বপূৰ্ণ স্থানত উপ-পঞ্জীয়কৰ উপস্থিতিত বিশেষ সহায়কাৰী কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াৰ ফলত জনসাধাৰণে জিলা আয়ুক্তৰ কাৰ্য্যালয়লৈ অহা-যোৱাৰ পৰা সকাহ লাভ কৰিব আৰু সময় তথা যাতায়াতৰ খৰছো ৰাহি হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৮১ কোটি

২০ লাখ টকা ব্যয় সাপেক্ষ নিৰ্মাণ কৰা কামৰূপ মহানগৰ জিলা আয়ুক্তৰ ভৱনটোৰ  তিনিটা মহলাত ২১ টা কাৰ্য্যালয় আছে। এই চৌহদতে গুৱাহাটী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়, কোষাগাৰ, খাদ্য আৰু যোগান বিভাগকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্য্যালয়ত জনসাধাৰণে সুবিধা লাভ কৰিব পাৰিব বুলি তেওঁ প্ৰকাশ কৰে। ড০ শৰ্মাই ৰাজ্যৰ প্ৰতিখন জিলাতে সকলো বিভাগৰ সংহত কাৰ্য্যালয় স্থাপন কৰা হ'ব বুলি জানিবলৈ দিয়ে।

-বাইট-

অনুষ্ঠানত অংশ লৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই ৰাজ্য চৰকাৰৰ এই পদক্ষেপে চৰকাৰৰ সা-সুবিধা সমূহ সংহত আৰু সমন্বিত ৰূপত লাভ কৰাত জনসাধাৰণক সহায় কৰিব বুলি উল্লেখ কৰে। এই কাৰ্যালয় ভৱনৰ মুঠ এলেকা ১২ হাজাৰ ৬৯৫ বৰ্গ কিলোমিটাৰ। সৌৰশক্তি চালিত এই কাৰ্যালয়টোৰ দ্বিতীয় মহলাত জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত আৰু সহকাৰী আয়ুক্তৰ কোঠা থাকিব। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ কাৰ্যালয়ৰ লগতে জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ো থাকিব।

০০০০০

অহা বছৰৰ ৬ জানুৱাৰীৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ৰাজ্যৰ বিদ্যালয়সমূহত গুণোৎসৱ ২০২৭ অনুষ্ঠিত হ'ব। সমগ্ৰ শিক্ষা অসমে ইয়াৰ বাবে সময়সূচী ঘোষণা কৰি সকলো জিলাৰ মিছন সমন্বয়ক আৰু জিলা কৰ্মসূচী সমন্বয়কলৈ পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰত উল্লেখ কৰা অনুসৰি ৰাজ্যৰ ৩৫খন জিলাত তিনিটা পৰ্যায়ত ২০২৭ বৰ্ষৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত ১৩খন জিলাত ৬ জানুৱাৰীত গুণোৎসৱৰ স্বমূল্যায়ন আৰু ৭ৰ পৰা ৯ জানুৱাৰীলৈ বহীমূল্যায়ন কৰা হ'ব। দ্বিতীয় পৰ্যায়ত ১২খন জিলাত ১৯ জানুৱাৰীত স্বমূল্যায়ন আৰু ২০ৰ পৰা ২২ জানুৱাৰীলৈ বহীমূল্যায়ন কৰা হ'ব। একেদৰে তৃতীয় পৰ্যায়ত ১০খন জিলাত ২ ফেব্ৰুৱাৰীত স্বমূল্যায়ন আৰু ৩ৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ বহীমূল্যায়ন কৰা হ'ব।

০০০০০

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে লোকপিয়লৰ দায়িত্বত নিয়োজিত শিক্ষকসকলৰ বদলিৰ নিৰ্দেশনাত সংশোধন ঘটাইছে। সেই অনুসৰি সঞ্চালকালয়ে লোকপিয়লৰ দায়িত্বত নিয়োজিত শিক্ষকসকলৰ বদলিৰ নিৰ্দেশৰ ১৪ দিনৰ ভিতৰত নতুন স্থানত যোগদান কৰাৰ চৰ্ত প্ৰত্যাহাৰ কৰিছে। উল্লেখযোগ্য যে সঞ্চালকালয়ে যোৱা ১০ আগষ্টত পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত শিক্ষকৰ বদলিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। সেই অনুসৰি লোকপিয়লৰ কামত নিয়োজিত একাংশ শিক্ষকেও বদলিৰ নিৰ্দেশনা লাভ কৰিছিল। কিন্তু এই কামত জড়িত বিষয়া-কৰ্মচাৰীৰ বদলিকৰণ প্ৰক্ৰিয়া ৰাজ্য চৰকাৰে বন্ধ কৰি থোৱাত সঞ্চালকালয়ৰ নিৰ্দেশ অনুসৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত নতুন স্থানত যোগদান কৰাত তেওঁলোক ব্যৰ্থ হয়। এই বিষয়টো লৈ শিক্ষকসকলৰ মাজত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ পাছতে আজি প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে এটা নিৰ্দেশযোগে পূৰ্বৰ চৰ্ত প্ৰত্যাহাৰ কৰি অধিসূচনা জাৰি কৰে।

০০০০০

কাৰ্বি আংলং জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাই আজি ডিফুৰ তাৰালাংছ'ত বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজ তথা জনকল্যাণমূলক পদক্ষেপৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। কৃষি আৰু জলসিঞ্চন বিভাগৰ সৈতে হোৱা এখন সভাত শ্ৰীহাজৰিকাই জিলাখনত কৃষি আন্তঃগাঁথনিৰ পৰ্যালোচনা কৰাৰ লগতে

বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। কৃষকসকলৰ সুবিধাৰ্থে অনাগত দিনত কৃষি উদ্যোগীসকলক সহায় কৰিবলৈ ৩ শতাংশ সুদ ৰেহাইৰ সুবিধাসহ কৃষি আন্তঃগাঁথনি পুঁজিৰ অধিক ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। সভাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, কৃষক পঞ্জীয়ন, তৈল খেজুৰৰ খেতি আৰু উদ্যান শস্যৰ সম্প্ৰসাৰণৰ বিষয়েও পৰ্যালোচনা কৰা হয়। শ্ৰীহাজৰিকাই কৃষকসকলৰ বিভিন্ন ধৰণৰ সমস্যা শীঘ্ৰেই সমাধানৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। সভাত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা বিধায়ক তুলিৰাম ৰংহাঙৰ লগতে আন কেইবাগৰাকীও বিধায়ক আৰু কাৰ্যবাহী সদস্য উপস্থিত থাকে।

মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত তাৰালাংছ'ত চাৰ্টালিন প্ৰেক্ষাগৃহত বেংকৰ বিষয়াসকলৰ উপস্থিতিত প্ৰগতিশীল কৃষক আৰু কৃষি উদ্যোগীসকলৰ সৈতে কৃষি আন্তঃগাঁথনি পুঁজি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। কৃষকসকলে যাতে মূলধনৰ অভাৱত নিজৰ সম্ভাৱনা সীমাবদ্ধ ৰাখিবলগীয়া নহয় তাৰ বাবে মাত্ৰ ৩ শতাংশ সুদত ২ কোটি টকা পৰ্যন্ত কৃষি আন্তঃগাঁথনি পুঁজিৰ ঋণৰ সুবিধা ল'ব পাৰিব বুলি তেওঁ উল্লেখ কৰে।

বাইট (পীযুষ)

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অহা ৫ বছৰত পি এম কুসুম আঁচনিৰ জৰিয়তে ৰাজ্যৰ ৪ লাখ হেক্টৰ ভূমিত জলসিঞ্চন ব্যৱস্থা সম্প্ৰসাৰণৰ লক্ষ্য লোৱা হৈছে। তদুপৰি উৎপাদন আৰু আয় বৃদ্ধিৰ লক্ষ্যৰে কৃষকসকলক অতি শীঘ্ৰে তামোল-পাণ, ককোৱা, নাৰিকল, আনাৰসৰ পুলি আৰু মাখনাৰ বীজ প্ৰদান কৰা হ'ব বুলি কৃষিমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰৰ স্থানীয় যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশ তথা নিয়োগৰ সুযোগ লাভত সহায় হোৱাকৈ জিলাখনত জাপানী ভাষা শিকণ কেন্দ্ৰ স্থাপনৰ কথা ঘোষণা কৰিছে। সাংবাদিকৰ আগত আজি এই ঘোষণা কৰি শ্ৰীমহিলাৰীয়ে কয় যে অসম চৰকাৰ আৰু বিটিচিৰ মাজত আলোচনাৰ পাছতেই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পৰৱৰ্তী সময়ত কোকৰাঝাৰত কোৰিয়ান আৰু চীনা ভাষা শিকণ কেন্দ্ৰও স্থাপনৰ সম্ভাৱনা আছে বুলি বিটিচিৰ মুৰব্বী গৰাকীয়ে উল্লেখ কৰে। এই পদক্ষেপৰ জৰিয়তে অঞ্চলটোৰ যুৱক-যুৱতীসকলক বিদেশী ভাষাত দক্ষতা অৰ্জনেৰে জাপান, দক্ষিণ কোৰিয়া আৰু চীনৰ দৰে দেশসমূহত নিয়োগৰ সুযোগ প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

বাইট (হাগ্ৰামা)

অসম চৰকাৰৰ সৈতে হোৱা বৈঠকৰ প্ৰসংগ উল্লেখ কৰি শ্ৰীমহিলাৰীয়ে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে হোৱা বৈঠক ফলপ্ৰসূ আছিল। এই বৈঠকত উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ লগতে বড়োভূমিৰ জনসাধাৰণৰ কল্যাণ আৰু আকাংক্ষাৰ বিষয়ত আলোচনা কৰা হয় বুলি বিটিচিৰ মুৰব্বীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ অসমৰ পৰা স্থানান্তৰৰ বাবে অনুৰোধ জনাই অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই দাখিল কৰা এখন আবেদন অগ্ৰাহ্য কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ এখন বিচাৰপীঠে আজি অভিযুক্ত

আৰু চৰকাৰী পক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ পাছত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ গোচৰ স্থানান্তৰৰ আবেদনখনৰ ভিত্তিত সকাহ দিবলৈ অস্বীকাৰ কৰে।

ইপিনে, ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত এই পৰ্য্যন্ত ১০০ জন সাক্ষীয়ে সাক্ষ্য প্ৰদান কৰিছে। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষীৰ সংখ্যা হৈছে, ৩৯৪।

০০০০০

অসমীয়া সমাজৰ পবিত্ৰ ভাদ মাহৰ আজি পহিলা দিন। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ-নামঘৰসমূহত আজি পুৱাৰে পৰা নাম-প্ৰসংগ অনুষ্ঠিত হৈছে। সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ কমেও ৩৫ খন সত্ৰৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ ৰাজহুৱা নামঘৰসমূহত নাম কীৰ্তনৰ কাৰ্যসূচী লোৱা হৈছে। যোৰহাটৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, মইনাপৰীয়া নামঘৰৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত মাহজোৰা কাৰ্যসূচীৰে নাম-প্ৰসংগ, ভাগৱত পাঠ আদিৰ আয়োজন কৰা হৈছে। বৰপেটা সত্ৰ, মধুপুৰ সত্ৰ আদিতো ভাদ মাহৰ নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে।

গোলাঘাট জিলাৰ শ্ৰীশ্ৰীআঠখেলিয়া নামঘৰত আজি পুৱাৰে পৰাই  ভক্তসকলে চাকি বন্তি জ্বলাই শৰাই নৈবদ্য আগবঢ়াইছে। নামঘৰ পৰিচালনা সমিতিয়ে ভক্তসকলক আদৰাৰ বাবে ২০ খন শাখা সমিতি আৰু ৯০ জন স্বেচ্ছাসেৱক নিয়োগ কৰিছে।

ভাদ মাহক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা আধ্যাত্মিক পৰিৱেশে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰি তোলে। অসমবাসীয়ে এই মাহটোত পবিত্ৰ অন্তৰেৰে শৰাই-নৈবদ্য আগবঢ়াই নাম কীৰ্তন কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পুণ্য তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ এই মাহটোক অসমবাসীয়ে অত্যন্ত পবিত্ৰ বুলি গণ্য কৰে। গোটেই মাহজুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নাম-প্ৰসংগ অনুষ্ঠিত হয়।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পবিত্ৰ ভাদ মাহৰ নাম-প্ৰসংগ সুকলমে সম্পন্ন কৰিবলৈ নামঘৰসমূহত ডেৰ লাখ টকাকৈ ২০ আগষ্টৰ আগেয়ে মুকলি কৰাৰ কথা ঘোষণা কৰিছে।

০০০০০

গীতিকবি, নাট্যকাৰ পাৰ্বতী প্ৰসাদ বৰুৱাৰ ওপজা দিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। কবি, গীতিকাৰ, চলচ্চিত্ৰ নিৰ্মাতা আৰু নাট্যকাৰ হিচাপে প্ৰসিদ্ধ লাভ কৰা পাৰ্বতী প্ৰসাদ বৰুৱাই ১৯৪০ চনত ৰূপহী নামৰ চতুৰ্থখন অসমীয়া চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল। ১৯৬১ চনত গোৱালপাৰাত অসম সাহিত্য সভাৰ সংগীত সন্মিলনৰ সভাপতি পদ তেওঁ অলংকৃত কৰিছিল। ১৯০৪ চনৰ আজিৰ দিনটোত শিৱসাগৰত জন্ম গ্ৰহণ কৰা গীতিকবিগৰাকীৰ গুণগুণনি, লুইতী, শুকুলা ডাৱৰ ঐ কহুৱা ফুল আদিৰ গীতৰ পুথিৰে অসমীয়া গীতি সাহিত্যক চহকী কৰিছে।

০০০০০

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাৰ অধ্যক্ষতাত আজি বিভাগটোৰ গুৰুত্বপূৰ্ণ পদক্ষেপৰ এখন পৰ্য্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম ঔদ্যোগিক ভূমি ব্যৱস্থাপনা নীতি আৰু ইথানল নীতিৰ বাবে নীতি-নিৰ্দেশনা প্ৰস্তুত কৰা আৰু ৰাজ্যৰ ঔদ্যোগিক বিকাশৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ বিশদভাৱে আলোচনা কৰা হয়। বৈঠকত মন্ত্ৰী বৰাই ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ

দূৰদৰ্শী নেতৃত্বত অসমত শক্তিশালী ঔদ্যোগিক পৰিৱেশ, বিনিয়োগৰ বাবে অনুকূল পৰিস্থিতি গঢ়ি তোলাৰ লগতে বহনক্ষম অৰ্থনৈতিক বিকাশ নিশ্চিত কৰাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে বুলি মন্তব্য কৰে। বৈঠকত অতিৰিক্ত মুখ্য সচিব জে বি এক্কা, বিশেষ সচিব ৰাকেশ আগৰৱাল, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মেধনিধি দাহালৰ লগতে বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাত সাৰ বিক্ৰীৰ বাবে নতুন ডিজিটেল ব্যৱস্থা আৰম্ভ হৈছে। জিলা কৃষি বিভাগৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্ত পৰিক্ষিত থাউদম, অতিৰিক্ত জিলা আয়ুক্ত অতুল কাথাৰ আৰু জিলা কৃষি বিষয়া মইনুল হকে আজি সাৰ বিক্ৰীৰ নতুন এপ মুকলি কৰে। এতিয়াৰে পৰা জনসাধাৰণে সাৰ বিক্ৰী এপৰ জৰিয়তেহে সাৰ ক্ৰয় কৰিব পাৰিব। জিলা আয়ুক্ত পৰিক্ষিত থাউদমে কয় যে কৃষকৰ মাটি আৰু শস্যৰ তথ্যৰ  ভিত্তিত এপটোৱে প্ৰয়োজনীয় সাৰৰ পৰিমাণৰ বিষয়ে পৰামৰ্শ আগবঢ়াব। ইয়াৰ পিছত এপটোৰ জৰিয়তে সৃষ্টি হোৱা কিউ আৰ কোড ব্যৱহাৰ কৰি অনুমোদিত বিক্ৰেতাৰ পৰা কৃষকে সাৰ ক্ৰয় কৰিব পাৰিব। এই নতুন ব্যৱস্থাৰ জৰিয়তে সাৰৰ অত্যাধিক ব্যৱহাৰ, কলা বজাৰ আৰু অনিয়মীয়া বিক্ৰী ৰোধৰ লগতে প্ৰকৃত কৃষকে সাৰ লাভ কৰাটো নিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে।

বাইট (জিলা আয়ুক্ত)

উল্লেখযোগ্য যে কৃষক পঞ্জীয়ন থকা লোকেহে এনেদৰে সাৰ ক্ৰয় কৰিব পাৰিব। দক্ষিণ শালমাৰা মানকাচৰ জিলাত বৰ্তমানলৈকে প্ৰায় ২২ হাজাৰ কৃষকে পঞ্জীয়ন কৰিছে।

ooooo

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কলকাতাৰ ছল্টলেক ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন ছেমিফাইনেলত ইষ্ট বেংগল এফ চি, স্পৰটিং ক্লাৱ দিল্লীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত